**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-11-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

ৰাজ্যত চলি থকা বিভিন্ন ঘাইপথ প্ৰকল্পৰ অগ্ৰগতি সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ দপ্তৰৰ মন্ত্ৰী নীতিন গাডকাৰীৰ সৈতে বৈঠকত মিলিত হয়। বিভিন্ন সংস্থাৰ দ্বাৰা ৰূপায়ণ কৰা ৫৭টা মুখ্য ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণকৰণ সন্দৰ্ভত বৈঠকত আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকল্পসমূহৰ কাম ত্বৰান্বিত কৰাৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক আহ্বান জনায়। এই বৈঠকতে যোৰহাট, ডিব্ৰুগড় ঘাইপথৰ নিৰ্মাণ শীঘ্ৰে সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হয়। কাজিৰঙা এলিভেটেড কৰিড'ৰৰ বিস্তৃত প্ৰকল্পৰ প্ৰতিবেদন দাখিল কৰিবলৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বিষয়াসকলক নিৰ্দেশ দিয়ে। বৈঠকত বাইহাটা চাৰিআলি-তেজপুৰ ঘাইপথ সম্প্ৰসাৰিত চাৰিলেনযুক্তকৰণ, কমলাবাৰী আৰু নিমাতীঘাট সংযোগী মাজুলী দলঙৰ পুনৰ নিবিদা সন্দৰ্ভতো আলোচনা কৰা হয়। ইয়াৰ লগতে ব্ৰহ্মপুত্ৰৰ তলেৰে গহপুৰ-নুমলীগড় সুৰংগৰ নিৰ্মাণৰ অগ্ৰগতি সন্দৰ্ভতো বৈঠকত আলোচনা হয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে নৱেম্বৰৰ শেষলৈ ১২১ কিলোমিটাৰ দৈৰ্ঘ্যৰ গুৱাহাটী ৰিং ৰোডৰ নিবিদা কাৰ্য সম্পূৰ্ণ কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে। বৈঠকত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে সুচল যাতায়াত, যোগাযোগ ব্যৱস্থা, আঞ্চলিক সংযোগ আৰু অৰ্থনৈতিক বৃদ্ধিৰ বাবে প্ৰকল্পসমূহ ক্ষীপ্ৰতাৰে ৰূপায়ণ হ'ব বুলি আশ্বাস দিয়ে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে অসমৰ সাংসদসকলে এই বৈঠকত অংশ লয়।

উল্লেখযোগ্য যে কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ দপ্তৰৰ মন্ত্ৰী নীতিন গাডকাৰীয়ে কালি নতুন দিল্লীত উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত চলি থকা ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পসমূহৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে বৈঠকত এই প্ৰকল্পসমূহ নিৰ্ধাৰিত সময়ত সম্পূৰ্ণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে এই প্ৰকল্পসমূহৰ ৰূপায়ণে উত্তৰ পূৰ্বাঞ্চলত পৰিবহন আৰু অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাক বাস্তৱায়িত কৰিব।

০০০০০০০

শিৱসাগৰত অহা ২৫ অক্টোবৰৰ পৰা দুদিনীয়াকৈ হ'বলগীয়া নাক, কাণ আৰু ডিঙিৰ বিশেষজ্ঞ চিকিৎসকৰ বাৰ্ষিক সন্মিলনৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। সন্মিলনখনত উত্তৰ-পূৰ্বাঞ্চলৰ ২৫০ গৰাকী প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব বুলি উদ্যোক্তাই জানিবলৈ দিছে। বাৰ্ষিক অধিৱেশনখনত নাক, কাণ আৰু ডিঙিৰ নতুন চিকিৎসা সন্দৰ্ভত আলোচনা চক্ৰ অনুষ্ঠিত কৰা হ'ব। লগতে ভালেকেইগৰাকী সমল ব্যক্তিয়ে অধিৱেশনত গৱেষণা পত্ৰ উপস্থাপন কৰিব। এই সন্মিলনতে চাৰিজন চিকিৎসকক জীৱনজোৰা সাধনাৰ বাবে বঁটা প্ৰদান কৰা হ'ব। এই সন্দৰ্ভত ডাঃ তাপস কুমাৰ দাসে আমাৰ সংবাদদাতাক এইদৰে কয়-

**বাইট**

০০০০০০০

অসম চৰকাৰে জনসাধাৰণক বিভিন্ন চৰকাৰী সেৱা সহজতে প্ৰদান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এই অনুসৰি চাৰি শতাধিক নাগৰিক সেৱা, ২১৯ টা ব্যৱসায়িক সেৱা আৰু ১৩ টা উপযোগিতা সেৱাৰ সৈতে ৭৫ লাখ আবেদন ডিজিটেলী দাখিল কৰা হৈছে। এই আবেদনসমূহৰ ৮৮ শতাংশ নিষ্পত্তি কৰা হৈছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰীয়ে কয় যে এই সেৱাসমূহ সুচল হোৱাৰ ফলত চৰকাৰী খণ্ডত সংস্কাৰ সাধন হোৱাৰ লগতে বিভিন্ন আঁচনিসমূহ ৰূপায়ণৰ ক্ষেত্ৰতো সফলতা লাভ কৰা হৈছে। তদুপৰি জনসাধাৰণৰ ওজৰ-আপত্তিৰ আবেদন আৰু নিষ্পত্তিকৰণ অহৰহ নিৰীক্ষণ কৰি থকা হৈছে। তদুপৰি ৯৫ শতাংশ আবেদনকাৰীয়ে এই সেৱাৰ দ্বাৰা সন্তুষ্টি লাভ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে।

০০০০০০০

ৰাজ্যিক নিৰ্বাচন আয়োগৰ নিৰ্দেশমৰ্মে আজি শিৱসাগৰ সদৰ মহকুমা পঞ্চায়তীৰাজ প্ৰতিষ্ঠানৰ অন্তৰ্গত ডিমৌ, শিৱসাগৰ, গৌৰীসাগৰ আৰু আমগুৰি আঞ্চলিক পঞ্চায়তৰ ফটোবিহীন খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হয়। চলিত বৰ্ষৰ শিৱসাগৰ সদৰ মহকুমাৰ অন্তৰ্গত পঞ্চায়তৰ মুঠ ভোটাৰৰ সংখ্যা হৈছে ৩ লাখ ৭৮ হাজাৰ ২১ গৰাকী। মহকুমাটোৰ অন্তৰ্গত পঞ্চায়তীৰাজ প্ৰতিষ্ঠানৰ অধীনৰ জিলা পৰিষদৰ আসনৰ সংখ্যা ১৩ খন। একেদৰে আঞ্চলিক পঞ্চায়তৰ আসনৰ সংখ্যা ৪ খন। জিলাখনৰ ৬২ খন গাঁৱত ৬২০টা ৱাৰ্ড আছে। আনহাতে মুঠ পঞ্চায়তৰ ভোটকেন্দ্ৰৰ সংখ্যা ৬৩৮টা। ভোটাৰসকলে ermssec.assam.gov.in ৱেবছাইটযোগে ভোটাৰ তালিকাত নিজৰ নাম পৰীক্ষা কৰিব পাৰিব। লগতে ৱেবছাইটযোগে ভোটাৰ পৰিচয় পত্ৰত উল্লেখ থকা নম্বৰ প্ৰয়োগ কৰি ভোটাৰ তালিকা ডাউনল'ড কৰিব পাৰিব।

ইপিনে বঙাইগাঁও সদৰ মহকুমাৰ অধীনৰ পঞ্চায়তৰ খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হৈছে। তালিকা অনুসৰি বঙাইগাঁও সদৰ মহকুমাত মুঠ ভোটাৰৰ সংখ্যা এক লাখ ৮৯ হাজাৰ ৭৬৬ গৰাকী। মহকুমাটোৰ অধীনত ৭টা জিলা পৰিষদৰ সমষ্টি, দুখন আঞ্চলিক পঞ্চায়ত, ২৮ খন গাঁও পঞ্চায়ত আৰু ২৮০টা ৱাৰ্ড আছে।

০০০০০০০

**সমাপ্ত**